## শৈক্ষিক পৰ্যবেক্ষণৰ প্ৰয়োজনীয়তা (Need and Importance of Educational Supervision)

পৰ্যবেক্ষণ, শৈক্ষিক ব্যৱস্থাপনাৰ এটা অবিচ্ছেদ্য অংগ। পৰ্যবেক্ষণৰ জৰিয়তে শিক্ষকসকলৰ শিক্ষাদান কাৰ্য পৰিদৰ্শন আৰু মূল্যায়ণ কৰাত সহায়ক হয়। আমি আগতেই উল্লেখ কৰিছো, যে শৈক্ষিক পৰ্যবেক্ষণৰ পৰিসৰ অতি বিস্তৃত। শিক্ষাৰ সকলোবোৰ দিশেই ইয়াৰ অন্তৰ্গত। সেয়েহে দেখা যায় যে

Scanned with CamScanner

শৈক্ষিক পৰ্যবেক্ষণৰ প্ৰয়োজনীয়তা অধিক। তলত সেইসমূহৰ বিষয়ে আলোচনা কৰা হ'ল।

(ক) আচঁনি প্ৰস্তুতকৰণ (Formulation of Policies) :

শিক্ষা হৈছে জীৱনযোৰা এক উদ্দেশ্য প্ৰণোদিত কাৰ্য, যাৰ যোগেদি ব্যক্তিৰ নিজৰ অন্তৰ্নিহিত শক্তি, সম্ভাৱনীয়তা বা দক্ষতাসমূহ বিকশাই তুলিব পাৰে।

সেইবাবে পৰ্যবেক্ষকজনে উপযুক্ত আঁচনি প্ৰস্তুত কৰি, নিৰ্দিষ্ট লক্ষ্য উদ্দেশ্য আগত ৰাখি শিক্ষা ব্যৱস্থাৰ উন্নতি কৰিব লাগে। শিক্ষাৰ সকলো স্তৰৰ সৰ্বতো প্ৰকাৰৰ বিকাশৰ দায়িত্ব পৰ্যবেক্ষক সকলৰ ওপৰত দিয়া থাকে। সেয়েহে শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰয়োজন অপৰিহাৰ্য।

(খ) নেতৃত্ব প্ৰদানৰ বাবে (To Provide leadership)

পৰ্যবেক্ষক শিক্ষকসকলৰ মাজত গণতান্ত্ৰিক আদৰ্শৰে নেতৃত্ববোধৰ শিক্ষা দিয়াত গুৰুত্ব দিব লাগে। ইয়াত নেতৃত্বৰ অৰ্থ হ'ল শিক্ষাৰ লগত জড়িত সকলো ব্যক্তিয়ে নিজ নিজ ক্ষেত্ৰত আগবাঢ়ি আহি নেতৃত্ব প্ৰদানেৰে শিক্ষাক গতিশীলতা প্ৰদানৰ কথা বুজোৱা হৈছে। বৰ্তমান শৈক্ষিক পৰ্যবেক্ষণে শিক্ষকসকলৰ মাজত গণতান্ত্ৰিক আৰু সহযোগিতামূলক প্ৰক্ৰিয়াৰে সকলোকে সমানে আগবঢ়াই নিয়াৰ ওপৰত গুৰুত্ব দিয়ে।

(গ) ভাল ব্যৱস্থাপনাৰ বাবে (To Provide Good Management) :

পৰ্যবেক্ষক সকলৰ আন এক প্ৰয়োজনীয়তা হৈছে উপযুক্ত ব্যৱস্থাপনাৰ ব্যৱস্থা কৰা। ইয়াৰ প্ৰয়োজন হয় কিছুমান বিশেষজ্ঞৰ কাৰিকৰী সাহাৰ্য্য প্ৰদান, শিক্ষকসকলৈ সেৱাৰ ব্যৱস্থা কৰাৰ বাবে বা শিক্ষাৰ্থীসকলৰ উপযুক্ত উন্নয়ন কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে। শৈক্ষিক পৰ্যবেক্ষকে শিক্ষাৰ লগতে প্ৰশাসন আৰু নিৰ্দেশনা ব্যৱস্থা সুন্দৰভাৱে নিৰীক্ষণ কৰিব পাৰে। বিদ্যালয় কৰ্তৃপক্ষকো শিক্ষাৰ্থীসকলৰ সুপৰিচালনাৰ বাবে উপযুক্ত কাৰ্যসূচী গ্ৰহণ কৰাৰ পৰামৰ্শও পৰ্যবেক্ষকজনে দিব পাৰে।

(ঘ) শিক্ষাদান-শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া উন্নয়ন কৰাৰ বাবে (For Improve Teaching Learning Process) :

বৰ্তমান সময়ত শৈক্ষিক পৰ্যবেক্ষণৰ প্ৰয়োজনীয়তাৰ অন্য এটা কাৰণ হৈছে শিক্ষাদান আৰু গ্ৰহণ প্ৰক্ৰিয়াত নতুন নতুন কৌশল বা পদ্ধতি প্ৰয়োগ কৰি শিক্ষক সকলক উপযুক্ত জ্ঞান আৰু প্ৰশিক্ষণ দিয়া। পৰিবৰ্তিত পৰিবেশ পৰিস্থিতিৰ সৈতে মিলিব পৰাকৈ শিক্ষক সকলক প্ৰস্তুত কৰাৰ গুৰু দায়িত্ব অৰ্পণ কৰা হয় পৰ্যবেক্ষক সকলৰ ওপৰত। বিজ্ঞানসন্মত পৰীক্ষা নিৰীক্ষাৰ আধাৰত পৰিবৰ্তিত পাঠ্যক্ৰমৰ সংশোধন সাধন কৰাৰ বাবেও শৈক্ষিক পৰ্যবেক্ষণৰ প্ৰয়োজন হয়।

(ঙ) উপযুক্ত শৈক্ষিক পৰিবেশ সৃষ্টিৰ বাবে (To Develop the Adequate Learning Climate)

শিক্ষাক ত্ৰিপাক্ষিক প্ৰক্ৰিয়া হিচাপে ধৰা হয়। ত্ৰিপাক্ষিক বুলি এই কাৰণেই কোৱা হয় যে তাত

Scanned with CamScanner

শিক্ষক, শিক্ষাৰ্থী আৰু সামাজিক প্ৰক্ৰিয়াৰ মাজেৰে এটা শিশুৱে শিক্ষা লাভ কৰে। শিক্ষাদান আৰু শিক্ষাগ্ৰহণ প্ৰক্ৰিয়া সংঘটিত হোৱা পৰিবেশৰ চাৰিওফালে থকা সকলোবিলাক সামাজিক আৰু মনোবৈজ্ঞানিক বৈশিষ্ট্যৰ সমাহাৰেই শিক্ষণ পৰিবেশ। উপযুক্ত শিক্ষণ পৰিবেশৰ সৃষ্টি বা অধ্যয়নগৰ বিষয়ে আৰু ইয়াৰ বিশ্লেষণ কৰি উন্নয়নৰ ব্যৱস্থাত হাতত লোৱাটোও হৈছে শৈক্ষিক পৰ্যবেক্ষণৰ এক অন্যতম প্ৰয়োজন।

**(চ) শিক্ষকৰ মনোজগতৰ উন্নয়নৰ বাবে (For Improvement of Morale of Teachers)**

শৈক্ষিক ব্যৱস্থাৰ সফলতা নিৰ্ভৰ কৰে শিক্ষকজনৰ মনোবৈজ্ঞানিক আচৰণ বা মনোজগতৰ ওপৰত। শিক্ষকজনৰ দেহ মন সুস্থ থাকিলেহে সুন্দৰ পাঠদানৰ যোগেদি শিক্ষাৰ্থীসকলক লব্ধজ্ঞান দিবলৈ সক্ষম হয়। শৈক্ষিক পৰ্যবেক্ষক জনে সমগ্ৰ শিক্ষাদান শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াৰ উন্নতি সাধন কৰি, শিক্ষকৰ মনোজগত, মনোভাৱ বা মানসিক অৱস্থাক উচ্চ পৰ্যায়ৰ কৰি গঢ়ি তুলিবলৈ বিভিন্ন প্ৰকাৰৰ ব্যৱস্থা হাতত লব লাগে। সেয়েহে ক'ব পাৰি যে শৈক্ষিক ব্যৱস্থাত শিক্ষকৰ স্থিতি সুনিৰ্দিষ্ট কৰি মানসিকভাৱে সবল এক স্থিতিত অনাৰ বাবে শৈক্ষিক পৰ্যবেক্ষণৰ প্ৰয়োজন হয়।

(ছ) শৈক্ষিক পৰ্যবেক্ষণে শিক্ষকসকলৰ বৃত্তিগত দক্ষতা বঢ়াই তোলাত সহায় কৰে। শৈক্ষিক প্ৰক্ৰিয়াৰ ওপৰত আৰ্থ সামাজিক পৰিবৰ্তনে গভীৰ প্ৰভাৱৰ সৃষ্টি কৰে। বৰ্তমান সময়ৰ লগত খাপ খোৱাকৈ শিক্ষক সকলক অংশকালীন শিক্ষা, কৰ্মশালা (Workshop) আলোচনা সভা আদিত অংশ গ্ৰহণ কৰাই তেওঁলোকৰ বৃত্তিগত দক্ষতা বঢ়াই তোলাত একোজন পৰ্যবেক্ষককেই আগভাগ লব লাগে।

(জ) পৰ্যবেক্ষণ, অবিৰত বিকাশৰ বাবে অতিশয় প্ৰয়োজনীয়। ইয়াৰ মাধ্যমত শিক্ষকৰ শিক্ষাদান সত্যনিষ্ঠ পথেৰে ফলদায়ক হৈ উঠিব পাৰে।

(ঝ) শিক্ষকসকল শিক্ষাদানৰ বাবে প্ৰস্তুত হ'বলৈ বা নিৰ্দেশনা দিবলৈ যাওঁতে শিকন শিক্ষণ প্ৰক্ৰিয়াক উন্নত পৰ্যায়ৰ কৰিবলৈ শৈক্ষিক পৰ্যবেক্ষণৰ অতি প্ৰয়োজন।

(ঞ) পৰিদৰ্শনৰ অন্য এক প্ৰয়োজনীয়তা হ'ল সুস্থ মানবীয় সম্পৰ্ক গঢ়ি তোলা যাতে সেই মানবীয় আন্তঃসম্পৰ্কই মানুহক ব্যক্তিগতভাৱে সন্তুষ্টি দিয়াৰ উপৰিও অনুষ্ঠানটোৰ কৃতকাৰ্যতাত প্ৰভূত অবিহনা যোগাব পাৰে।

গতিকে ওপৰোক্ত আলোচনাৰ পৰা আমি ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছো।

Scanned with CamScanner